সকলোৰে নেতিবাচক দিশটো বাদ দি আমি ইতিবাচক দিশক আঁকোৱালি ল'ব লাগে। বিজ্ঞানৰ ক্ষেত্ৰটো একেই। বিজ্ঞান এটা শক্তি। ই নিজে নিজে কেতিয়াও কাৰো ক্ষতি কৰিব নোৱাৰে। ইয়াৰ বাবে দায়ী হ'ল ইয়াক প্ৰয়োগ কৰা মানুহ নিজেই। সেয়ে আমি সকলোৱে মানৱ জাতিৰ কল্যাণৰ বাবে বিজ্ঞানক ব্যৱহাৰ কৰি জাতিটোৰ সমস্যা দূৰ কৰাৰ চেষ্টা কৰিব লাগে।

***



[This question paper contains 4 printed pages]

**Your Roll No.** : ........................

**Sl. No. of Q. Paper** : **2805** **I**

Unique Paper Code : 2081001001

Name of the Paper : Translation and Interpretation in Assamese

Name of the Course : **ACE**

Semester : I

***Time : 2 Hours*** ***Maximum Marks : 60***

**Instructions for Candidates :**

(a) Write your Roll No. on the top immediately on receipt of this question paper.

(b) Attempt **all** question.

**1.** তলত দিয়া যিকোনো পাঁচটা প্ৰশ্নৰ চমু উত্তৰ দিয়া। 2×5=10

(i) অনুবাদ শব্দটোৰ দুটা সমাৰ্থক শব্দ লিখা।

(ii) কোনবোৰ পাঠৰ সৰহকৈ অনুবাদ হোৱাৰ সম্ভাৱনা থাকে?

(iii) যন্ত্ৰানুবাদ মানে কি?

(iv) আন ভাষাৰপৰা অসমীয়া ভাষালৈ অনূদিত যিকোনো দুখন পাঠৰ নাম লিখা।

(v) ইংৰাজীলৈ অনুবাদ কৰা- 'যি মূলা বাঢ়ে তাৰ দুপাততে চিন।'

(vi) বাল্মীকিৰ ৰামায়ণ অসমীয়া ভাষালৈ সৰ্বপ্ৰথম কোনে অনুবাদ কৰিছিল?

**2.** তলত দিয়া যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা: 10×2=20

(i) অনুবাদৰ বিভিন্ন ক্ষেত্ৰসমূহৰ বিষয়ে আলোচনা কৰা।

(ii) অনুবাদৰ বিভিন্ন উপকৰণসমূহৰ সম্পৰ্কে এটি টোকা যুগুতোৱা।

(iii) মৌখিক আৰু লিখিত অনুবাদৰ সুবিধা-অসুবিধাসমূহ বহলাই লিখা।

**3.** তলৰ কথাখিনি অসমীয়া ভাষালৈ অনুবাদ কৰা। 15

Almost every country, no matter how progressive has a history of ill-treating women. In other words, women from all over the world have been rebellious to reach the status they have today. While the western countries are still making progress, third world countries like India still lack behind in Women Empowerment.

In India, women empowerment is needed more than ever. India is amongst the countries which are less safe for women. There are various





reasons for this. Firstly, women in India are in danger of honour killings. Their family thinks its right to take their lives if they bring shame to the reputation of their legacy. Domestic violence is a major problem in India. The men beat up their wife and abuse them as they think women are their property. More so, because women are afraid to speak up. Similarly, the women who do actually work get paid less than their male counterparts. It is downright unfair and sexist to pay someone less for the same work because of their gender.

**4.** তলৰ কথাখিনি ইংৰাজী বা হিন্দী ভাষালৈ অনুবাদ কৰা। 15

সকলো বস্তুৰে ইতিবাচক আৰু নেতিবাচক দুয়োটা দিশেই থাকে। এহাতে বিজ্ঞানে আমাক সভ্যতাৰ চৰম শিখৰলৈ লৈ গৈছে, আনহাতে ই মানৱজাতিৰ ধ্বংসৰ কাৰণ হৈ পৰিছে। পাৰমাণবিক অস্ত্ৰ-শস্ত্ৰ, বোমা-বাৰুদ আদিৰ আৱিষ্কাৰে মানুহৰ জীৱনলৈ বিপদ কঢ়িয়াই আনিছে। পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰৰ প্ৰয়োগে মানুহৰ জীৱন নিমিষতে শেষ কৰি দিব পাৰে। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত হিৰোছিমা আৰু নাগাচাকিৰ পাৰমাণৱিক বোমা বিস্ফোৰণৰ ফল আজিও সেই ঠাইৰ মানুহে ভূগি আছে। আনহাতে, কীটনাশক দ্ৰব্য, ৰাসায়নিক সাৰে মাটিৰ উৰ্বৰতা বঢ়াই শস্যৰ উৎপাদন বৃদ্ধি কৰাৰ বিপৰীতে মাটিৰ প্ৰদূষণ কৰি ভৱিষ্যৎ জীৱনলৈ হতাশা কঢ়িয়াই আনিছে। কল কাৰখানাৰ আৱৰ্জনাই বায়ু প্ৰদূষণ কৰিছে। কৃত্ৰিম উপগ্ৰহ আৰু ৰকেটৰ ব্যৱহাৰে আমাৰ পৃথিৱীখনক এক ভয়াবহ পৰিস্থিতিলৈ লৈ গৈছে।